**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 21-08-2026**
**Time:** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় চৰকাৰৰ সচিবসকলক দেশৰ ভৱিষ্যৎ সম্পৰ্কে দীৰ্ঘকালীন দৃষ্টিভংগীৰে চিন্তা কৰিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্বিনজিৰ' কোইজুমিক সাক্ষাৎ কৰে।

৩। পুণেত আজি ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ যোগাযোগ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠক অনুষ্ঠিত হ'ব।

৪। কেন্দ্ৰীয় মন্ত্ৰীসভাই লাডাখত জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

*আৰু*

৫। নতুন দিল্লীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপত আজি ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ পুৰুষ আৰু মহিলাৰ ডাবলছ্‌ৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেওঁৰ বাসগৃহত ভাৰত চৰকাৰৰ সচিবসকলৰ সৈতে তৃতীয়খন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি আন্তঃগাঁথনি আৰু সংযোগ, নিৰাপত্তা, বৈদেশিক পৰিক্ৰমা আৰু প্ৰশাসনৰ সৈতে জড়িত মন্ত্ৰালয় আৰু বিভাগসমূহৰ ভৱিষ্যতৰ কাৰ্য্যসূচী সন্দৰ্ভত আলোচনা কৰে। তেওঁ সচিবসকলক দেশৰ ভৱিষ্যত কেনেদৰে গঢ় দিব লাগে, সেই সম্পৰ্কে দীৰ্ঘম্যাদী দৃষ্টিভংগীৰে চিন্তা কৰিবলৈ আহ্বান জনায়। তথ্যৰ অধিক ফলপ্ৰসূ ব্যৱহাৰৰ আহ্বান জনাই শ্ৰীমোদীয়ে কয় যে তথ্য হৈছে এক ৰাষ্ট্ৰীয় সম্পদ আৰু ভৱিষ্যতৰ বাবে এক সমল। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তথ্য আদান-প্ৰদান নকৰাটো কেৱল সাংগঠনিক সমস্যা নহয়, মানসিকতাৰ সমস্যাও। মন্ত্ৰালয় তথা বিভাগসমূহক নিজৰ বুলি ভাৱি কাম কৰিবলৈ তেওঁ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। বিষয়াসকলৰ মাজত অনানুষ্ঠানিক পাৰস্পৰিক ক্ৰিয়া-কলাপ আৰু দলীয় মনোভাৱ গঢ়ি তোলাৰ গুৰুত্বত আলোকপাত কৰি শ্ৰীমোদীয়ে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত নতুন দৃষ্টিভংগী আনিবলৈ চৰকাৰী বিভাগ, বিশ্ববিদ্যালয় আৰু যুৱক-যুৱতীসকলৰ মাজত অধিক সংযোগ স্থাপনৰ আহ্বান জনায়। তেওঁ দেশৰ প্ৰতিৰক্ষা উদ্যোগক আৰু শক্তিশালী কৰি বিশ্ব পৰ্যায়ত অধিক প্ৰতিযোগিতামূলক কৰি তোলাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে। ক'ভিড-১৯ মহামাৰী আৰু পশ্চিম এছিয়া সংকটৰ অভিজ্ঞতাৰ উদাহৰণ দি তেওঁ কয় যে এনে সমন্বয় ব্যৱস্থা চৰকাৰৰ কৰ্ম সংস্কৃতিৰ স্বাভাৱিক অংশ হ'ব লাগে। বৈঠকত প্ৰধানমন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ফলপ্ৰসূ ব্যৱহাৰৰ আহ্বান জনায়। জটিল প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰে ভাৰতৰ ভৱিষ্যত গঢ় দিবলৈ চৰকাৰৰ দৃষ্টিভংগী, অধিক সমন্বয়, উদ্ভাৱনী চিন্তা আদিৰ বিষয়ে তেওঁ উল্লেখ কৰে।

বৈঠকত সচিবসকলে বিভিন্ন খণ্ডত অগ্ৰাধিকাৰ, নতুন প্ৰত্যাহ্বান আৰু বিভিন্ন প্ৰকল্প ৰূপায়িত কৰাৰ সময়ত লাভ কৰা অভিজ্ঞতা বিনিময় কৰে। বৈঠকত কেবিনেট সচিব, বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ সচিব আৰু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ উচ্চপদস্থ বিষয়াসকলে অংশ লয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্বিনজিৰ' কোইজুমিক সাক্ষাৎ কৰে। সাক্ষাৎ কালত শ্ৰীমোদীয়ে ভাৰত আৰু জাপানৰ মাজৰ বিশেষ কৌশলগত আৰু গোলকীয়

সহযোগিতা অধিক সুদৃঢ় কৰাৰ দৃষ্টিভংগীৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে ভাৰত প্ৰশান্ত মহাসাগৰ আৰু চৌপাশৰ অঞ্চলসমূহৰ শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত ভাৰত-জাপান প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা ক্ষেত্ৰ বিশেষকৈ মেক ইন ইণ্ডিয়া অভিযানৰ অধীনত সহ উৎপাদন আৰু সহবিকাশৰ বাবে ভাৰতীয় কোম্পানী আৰু ষ্টাৰ্ট আপ প্ৰতিষ্ঠানসমূহৰ সৈতে জাপানৰ সহযোগিতাৰ সুযোগৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা জুলাইত অনুষ্ঠিত যোড়শ ভাৰত-জাপান শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে অহা জাপানৰ প্ৰধানমন্ত্ৰী ছনায়ে টাকাইছীৰ সৈতে হোৱা বিশদ আলোচনাৰ বিষয়েও স্মৰণ কৰে। তেওঁ লগতে ভাৰত আৰু জাপানৰ মাজত প্ৰতিৰক্ষা সহযোগিতা নিৰন্তৰ বিকাশক ভূয়সী প্ৰশংসা কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে তেওঁলোকে ভাৰত আৰু জাপানৰ মাজৰ প্ৰতিৰক্ষা আৰু সুৰক্ষা সম্পৰ্ক গভীৰ কৰাৰ বিষয়ে ফলপ্ৰসূ আলোচনাত মিলিত হয়। ভাৰত প্ৰশান্ত মহাসাগৰ আৰু ইয়াৰ চৌপাশৰ অঞ্চলৰ শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ বাবে দুয়োখন দেশৰ মাজৰ বিশেষ কৌশলগত আৰু গোলকীয় সহযোগিতা গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে।

০০০০

ভাৰতে আজি পুনেত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ যোগাযোগ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ আয়োজন কৰিছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অধ্যক্ষতাত এই বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত ব্ৰিকছৰ সদস্য দেশসমূহৰ যোগাযোগ মন্ত্ৰী আৰু জ্যেষ্ঠ প্ৰতিনিধিসকলক একত্ৰিত কৰি তথ্য আৰু যোগাযোগ প্ৰযুক্তি, ডিজিটেল ৰূপান্তৰ, উদ্ভাৱন আৰু সুস্থিৰ ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হ'ব। বৈঠকৰ মূল বিষয় হৈছে সুস্থিৰ ভৱিষ্যতৰ বাবে উদ্ভাৱন, সহযোগিতা আৰু ৰূপান্তৰ। এই বৈঠকে নতুন প্ৰযুক্তি, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, ভৱিষ্যতৰ নেটৱৰ্ক, চাইবাৰ সুৰক্ষা, সামৰ্থ্য বিকাশ আৰু সৰ্বাংগীন ডিজিটেল সংযোগ সন্দৰ্ভত মত বিনিময়ৰ বাবে ব্ৰিকছৰ সদস্য দেশসমূহৰ বাবে এক মঞ্চ প্ৰদান কৰিব। ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠী আৰু গ্ল'বেল চাউথ, অৰ্থাৎ অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে পিছপৰা হিচাপে বিবেচিত ৰাষ্ট্ৰসমূহৰ ডিজিটেল ৰূপান্তৰক সমৰ্থন কৰিবলৈ ব্যৱহাৰিক সহযোগিতা আগুৱাই নিয়াৰ বাবে বিভিন্ন পদ্ধতিসমূহতো এই আলোচনাত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাকাইন্দে হিচিলেমাক জাম্বিয়াৰ ৰাষ্ট্ৰপতি হিচাপে পুনৰবাৰ নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে ভাৰতে জাম্বিয়াৰ সৈতে বহুমুখী সহযোগিতাক অধিক গুৰুত্ব দি আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে উভয় দেশৰ সম্পৰ্ক ত্বৰান্বিত কৰাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীহিচিলেমাৰ সৈতে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহী।

০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই লাডাখত জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই সিদ্ধান্তই লাডাখৰ দূৰণিবটীয়া এলেকাত বাস কৰা জনসাধাৰণৰ ন্যায় আৰু আইনী সেৱা লাভ কৰাৰ ক্ষেত্ৰত সময় ৰাহি হ'ব। তেওঁ কয় যে লাডাখৰ সৰ্বাংগীন বিকাশ আৰু সাংবিধানিক সুৰক্ষা ব্যৱস্থা সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

০০০০

কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী শ্ৰী প্ৰহ্লাদ যোগীয়ে কালি মন্ত্ৰালয়ৰ বিষয়াসকলৰ সৈতে প্ৰধানমন্ত্ৰী কুসুম যোজনাৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে। শ্ৰীযোশীয়ে সামাজিক মাধ্যমযোগে কয় যে বৈঠকত কৃষি খণ্ডত সৌৰ শক্তিৰ প্ৰসাৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। তেওঁ কয় যে বৰ্তমানলৈকে দেশত প্ৰধানমন্ত্ৰী কুসুম যোজনাৰ অধীনত ২৭ লাখৰো অধিক সৌৰ পাম্প স্থাপন কৰা হৈছে আৰু আঁচনিখনৰ জৰিয়তে ১৫ দশমিক ৮ গিগাৱাট নবীকৰণযোগ্য শক্তি সামৰ্থ্য বৃদ্ধি পাইছে। ইয়াৰ ফলত বছৰি ৮০ কোটি ৬০ লাখ লিটাৰ ডিজেল ৰাহি হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৈঠকত

দেশত পলিচিলিকনৰ উৎপাদন আৰু সৌৰ আহিলাপাতি ঘৰুৱাভাৱে নিৰ্মাণ কৰাৰ ব্যৱস্থা সুদৃঢ়কৰণক লৈও আলোচনা কৰা হয়।

00000

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কৈছে যে এনছাৰ কী চেলেঞ্জ, অৰ্থাৎ উত্তৰসমূহৰ প্ৰত্যাহ্বান জনোৱা ব্যৱস্থাটো সকলো ছাত্ৰ–ছাত্ৰীৰ সুবিধাৰ বাবে বিকশাই তোলা হৈছে। সংস্থাটোৱে এই ব্যৱস্থাটো ব্যয়বহুল বুলি উত্থাপিত অভিযোগ নাকচ কৰিছে। সংস্থাটোৱে কয় যে ই হৈছে অনলাইন প্ৰক্ৰিয়া, য'ত পৰীক্ষাৰ্থীসকলে বিভিন্ন পৰীক্ষা, যেনে জেইই মেইন, নীট, বা ইউজিচি নেট আদিৰ প্ৰকাশিত উত্তৰৰ ভুলৰ প্ৰতি আপত্তি কৰিব পাৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত সংস্থাটোৱে কয় যে যদি এজন পৰীক্ষাৰ্থীয়েও কোনো প্ৰশ্নক প্ৰত্যাহ্বান জনায়, আৰু বিষয় বিশেষজ্ঞসকলে ইয়াক মানি লয়, তেন্তে সংশোধিত উত্তৰ পৰীক্ষাত বহা প্ৰতিজন প্ৰাৰ্থীৰ ক্ষেত্ৰত প্ৰযোজ্য।

0000

এই সপ্তাহৰ আগভাগত ছোমানিয়াৰ পুণ্টলেণ্ড উপকূলৰ সমীপৰ পৰা জলদস্যু কেমেৰুণৰ ধবজা বহনকাৰী এখন জাহাজ অপহৰণ কৰে। লুটুফ নামৰ এই জাহাজখন সোমবাৰে জলদস্যুৱে নিজৰ অধীনলৈ নিয়ে আৰু নুগাল উপকুলৰ দিশে অগ্ৰসৰ হয়। মোগাধিচু অভিমুখী জাহাজখনেৰে তুৰস্কৰ অস্ত্ৰ-শস্ত্ৰ আৰু যোগাযোগ তথা কৃত্ৰিম উপগ্ৰহ কঢ়িয়াই নিয়া বুলি জানিব পৰা গৈছে। জাহাজখনৰ চালক দলত ছগৰাকী ভাৰতীয়, এগৰাকী তুৰস্কৰ, দুগৰাকী চাৰ্বিয়াৰ আৰু এগৰাকী জৰ্জিয়াৰ নাগৰিক আছে।

0000

নতুন দিল্লীত অনুষ্ঠিত বি ডব্লিউ এফ চেম্পিয়নশ্বিপত আজি ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ পুৰুষ আৰু মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। পুৰুষৰ ডাবলছত সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে চীনৰ তৃতীয় বাছনিপ্ৰাপ্ত লিয়াং ৱেই কেং আৰু ৱাং চাঙৰ সন্মুখীন হ'ব। সাত্বিকছাইৰাজ আৰু চিৰাগৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জুনেইদি আৰিফ আৰু ৰ'য় কিং য়াপক ২১-২৩, ২১-১৯, ২১-১৭ গেমত পৰাস্ত কৰে।

মহিলাৰ ডাবলছত তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দে চীনৰ চতুৰ্থ বাছনিপ্ৰাপ্ত চিয়া ই ফেন আৰু ঝাং শু চিয়ানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাপানৰ সপ্তম ৰিণ ইৱানাগা আৰু কী নাকানিছিক ২১-১৬, ২১-১২ পোনপটীয়া গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে, পূৰ্বৰ বিশ্ব চেম্পিয়ন পি ভি সিন্ধু, পুৰুষৰ ছিংগলছৰ খেলুৱৈ আয়ুষ চেট্টী আৰু মিক্সড ডাবলছৰ যুটী ধ্ৰুৱ কপিলা আৰু তনিছা ক্ৰাষ্টো নিজ নিজ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

0000

অমষ্টফেনত অনুষ্ঠিত এফ আই এইছ হকী বিশ্বকাপৰ দ্বিতীয় পৰ্যায়ৰ পুলৰ প্ৰথমখন খেলত ভাৰতীয় মহিলা দল আজি নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব।

ইংলেণ্ডৰ বিৰুদ্ধে কালি অনুষ্ঠিত পুল ডিৰ নিজৰ অন্তিমখন খেল ড্ৰ হোৱাত ভাৰতে দ্বিতীয় পৰ্যায়ত প্ৰবেশ কৰে। খেলখনত দুয়োটা দলে কেইবাটাও সুযোগ লাভ কৰে যদিও গ'ল কৰাত ব্যৰ্থ হয়।

0000

ঃঃ সমাপ্ত ঃঃ